REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

Date : 30-03-2026
Time : 21-25 Hrs

ASSAMESE NIGHT BULLETIN

::::::

শিৱসাগৰ জিলাৰ ডিমৌত আজি ৰেলৰ খুন্দাত এজন লোকৰ মৃত্যু হয়। আৰক্ষীয়ে জনোৱা মতে, ডিমৌৰ দিৰৈহাবী গাঁৱত আজি বিয়লি প্ৰায় ৩ বজাত ডিব্ৰুগড়-গুৱাহাটী অভিমুখী নাগালেণ্ড এক্সপ্ৰেছে এজন লোকক মহতিয়াই নিয়ে। মৃত লোকজন বকতা বগৰীটিং গাঁৱৰ নিৰোদ ফুকন বুলি জানিব পৰা গৈছে।

০০০০০

ৰাজ্যজুৰি জ্যেষ্ঠ নাগৰিক আৰু বিশেষভাৱে সক্ষম ভোটাৰৰ ঘৰে ঘৰে গৈ ভোট সংগ্ৰহ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে।

কাৰ্বি আংলঙত আজি ঘৰে ঘৰে গৈ ভোট সংগ্ৰহ প্ৰক্ৰিয়াৰ শুভাৰম্ভ কৰা হয়। জিলা প্ৰশাসনে চিনাক্ত কৰা বিশেষভাৱে সক্ষম ভোটদাতা আৰু ৮৫ বছৰ উৰ্ধৰ নাগৰিকৰ ভোট সম্পূৰ্ণ গোপনীয়তাৰে সংগ্ৰহ কৰা হয়। চিৰাঙত কাইলৈ ঘৰে ঘৰে গৈ ভোটগ্ৰহণ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ১৯ নম্বৰ চিদলি-চিৰাং বিধানসভা সমষ্টি আৰু ২০ নম্বৰ বিজনী বিধানসভা সমষ্টিৰ বাবে এনেদৰে ভোট সংগ্ৰহ কৰা হ'ব। জিলাখনত মুঠ ৫১৯ গৰাকী ভোটাৰৰ ভোট ঘৰৰ পৰাই সংগ্ৰহ কৰা হ'ব। একেদৰে বৰপেটা আৰু বঙাইগাঁও জিলাতো ঘৰে ঘৰে গৈ দিব্যাংগ আৰু জ্যেষ্ঠ লোকৰ ভোটদান প্ৰক্ৰিয়া অনুষ্ঠিত হৈছে।

০০০০০

মাজুলী জিলা সাহিত্য সভাৰ অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস আজি নামনি মাজুলীৰ বালি চাপৰিৰ মিলিত কৃষ্টি সংঘৰ প্ৰেক্ষাগৃহত উদযাপন কৰা হয়। অঞ্চলটোৰ কেইবাখনো শাখা সাহিত্য সভাৰ সৌজন্যত অনুষ্ঠিত এই অনুষ্ঠানত শতাধিক লেখক-লেখিকাক সম্বৰ্দ্ধনা জনোৱাৰ লগতে ৰাজ্য চৰকাৰৰ পৰা যুৱ লেখকৰ পুৰস্কাৰ লাভ কৰা লেখক-লেখিকা সকলক সম্বৰ্দ্ধনা জ্ঞাপন কৰা হয়। দিনৰ ১২ বজাৰ পৰা অনুষ্ঠিত মুকলি সভাত কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ অংশ হিচাপে মাজুলী জিলা সাহিত্য সভাৰ কুঁহি উপ সমিতিৰ উদ্যোগত সুৰেণ ৰাজখোৱা সোঁৱৰণী চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়।

০০০০০

গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই ছুপাৰ কিংছে-ৰাজস্থান ৰয়েলছক জয়ৰ বাবে ১২৮ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

টছত জয়ী হৈ প্ৰথমে ৰাজস্থান ৰয়েলছে চেন্নাই চুপাৰ কিংছক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। প্ৰথমে বেটিং আৰম্ভ কৰি দলটোৱে ১৯ অভাৰ ৪ টা বলত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১২৭ ৰানহে কৰিবলৈ সক্ষম হয়। দলটোৰ হৈ জেমি অভাৰটনে সৰ্বাধিক ৪৩ ৰান সংগ্ৰহ কৰে। ইয়াৰ বাহিৰে কোনো এগৰাকী বেটছমেনে সফল হব নোৱৰিলে।

০০০০০

ঃঃ সমাপ্ত ঃঃ